**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-04-2025 **Time :** 1205 Hrs.

***Regional Midday Bulletin***

***HEADLINES***

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি অশোকাষ্টমী মেলা আৰম্ভ হৈছে। দক্ষিণ শালমৰা মানকাচৰ জিলাৰ মানকাচৰ আৰু সুখচৰৰ বিভিন্ন ঘাটত পৰম্পৰাগত ৰীতি-নীতিৰে এই মেলা আৰম্ভ হৈছে।এই উপলক্ষে ঘাটৰ পাৰতে নাম-কীৰ্তন আৰু দিনজোৰা মাংগলিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অশোকাষ্টমী উপলক্ষে ভক্তপ্ৰাণ ৰাইজে পুৱাই নদীত স্নান কৰে।

কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী আৰু শুৱালকুছিত আজি পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা আৰম্ভ হৈছে। অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰ নৈৰ পাৰত থকা বিষ্ণুপদত অস্থি আৰু পিণ্ড বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। ভক্তসকলে পুৱাৰেপৰা নৈৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। শুৱালকুছিতো অশোকাষ্টমী উপলক্ষে ভক্তপ্ৰাণ ৰাইজে ব্ৰহ্মপুত্ৰত স্নান কৰি মৃত আত্মীয়ৰ অস্থি বিসৰ্জন কৰিছে। ০০০০০

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গালʼ জনগোষ্ঠীৰ মপিন উৎসৱত অংশ লোৱাৰ উদ্দেশ্যে অৰুণাচল প্ৰদেশলৈ যাব। মুখ্যমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে চুবুৰীয়া ৰাজ্যখনৰ সৈতে সমন্বয়ৰ বাট অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। ০০০০০

০০০০০০

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। গোৱালপাৰা জিলাৰ ১৯ টা সমষ্টিৰ ১৭টা সমষ্টিত ৰাভা-হাচং যৌথ মঞ্চ আৰু বিজেপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। আনহাতে কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এটাকৈ সমষ্টিত জয়লাভ কৰে।

কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিৰ ১০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি, তিনিটা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হৈছে।

উল্লেখযোগ্য যে, ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৬টা সমষ্টিৰ ৩টা সমষ্টিত এন ডি এ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বীতাৰে জয়লাভ কৰাত ৩৩ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত ৬২ সংখ্যক ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস উপলক্ষে সামুদ্ৰিক সজাগতা ৰাকাথন মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী সোণোৱালে কয় যে দেশৰ জনসাধাৰণে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা উচিত। তেওঁ লগতে কয়, যে ভাৰতক বিশ্বৰ ভিতৰতে উন্নত সামুদ্ৰিক শক্তি হিচাপে গঢ়ি তুলিবলৈ

হ'লে যুৱচামে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা  পালন কৰিব লাগিব। ভাৰতৰ সামুদ্ৰিক খণ্ড দেশৰ অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

বিশিষ্ট গৱেষক তথা শ্ৰীলংকাৰ আই চি চি আৰৰ অধীনস্থ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড০ অংকুৰণ দত্তৰ উদ্যোগত সিংহলী ভাষালৈ ভাঙণি কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত দুটি বৰগীতৰ এলবামটো কালি কলম্বোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰত্যক্ষ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে গুৰু দুজনাৰ সৃষ্টিৰ কথা উল্লেখ কৰি এই প্ৰয়াসৰ বাবে স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড০ অংকুৰণ দত্তৰ শলাগ লয়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ চাৰে ৩ বজাত আৰম্ভ হ'ব। আজি চণ্ডীগড়ত হ'বলগীয়া আন এখন খেলত ৰাজস্থান ৰয়েলছ্ পাঞ্জাব কিংছৰ মুখামুখি হ'ব।  খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণত পৰাস্ত কৰে।

০০০০০০০

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। গোৱালপাৰা জিলাৰ ১৯ টা সমষ্টিৰ ১৭টা সমষ্টিত ৰাভা-হাচং যৌথ মঞ্চ আৰু বিজেপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। আনহাতে কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এটাকৈ সমষ্টিত জয়লাভ কৰে। জিলাখনৰ ধূপধৰা সাধাৰণ পৰিষদীয় সমষ্টিত ৰাভা হাচং যৌথ মঞ্চৰ প্ৰাৰ্থী অনাদি সৰকাৰ বিপুল ভোটত জয়ী হয়। কোঠাকুটি সমষ্টিত বিজেপি প্ৰাৰ্থী ভৈৰৱ কছাৰী, দুধনৈ সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ উজ্বলা ব্ৰহ্ম, মাজজাখিলি সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰবোধ কলিতা, ৰংজুলি সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ মণিদীপা ৰাভা, ধনুভাঙা সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ ফণীন্দ্ৰ ৰাভা, হাব্ৰাঘাট সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰতাপ ৰাভা আৰু কুশধোৱা-দৰংগিৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী পৰমা ৰাভাই বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিছে। দক্ষিণ দুধনৈ সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ টংকেশ্বৰ ৰাভাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বীক হৰুৱাই পুনৰ ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদ গঠনৰ পথ প্ৰশস্ত কৰে।

কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিৰ ১০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি, তিনিটা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হৈছে।

বকো সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী সুমিত ৰাভা, জোঙাখুলি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, উত্তৰ বনগাঁৱত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী আদিত্য ৰাভা, জাৰিহাট সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অশোক কুমাৰ ৰাভা, পাণ্টানত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰমাকান্ত ৰাভা, গোৱৰ্ধনত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী জ্যোতিষ চন্দ্ৰ ৰাভা, ৰাণী সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী পুষ্পাঞ্জলি কুমাৰী বড়ো, দক্ষিণ বনগাঁও সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী মিনতি ৰাভা, চানডুবিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী নৃপেন চন্দ্ৰ ৰাভা আৰু কুলচি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰশ্মি মালা ৰাভা, শিলপোটা সমষ্টিত বিজেপি প্ৰাৰ্থী কমলেশ্বৰ ৰাভা, বামুনীগাঁও সমষ্টিত বিজেপি প্ৰাৰ্থী অজিৎ ৰাভা, বন্দাপাৰা সমষ্টিত বিজেপি প্ৰাৰ্থী মেঘালি ৰাভা আৰু লুকি সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ৰেলিনা জে মাৰাক জয়ী হৈছে।

উল্লেখযোগ্য যে, ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৬টা সমষ্টিৰ ৩টা সমষ্টিত এন ডি এ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বীতাৰে জয়লাভ কৰাত ৩৩ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

০০০০০০